**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 09-04-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তেওঁৰ পৰ্টুগাল ভ্ৰমণ সামৰি আজি নিচেই পুৱাতে শ্ল'ভাকিয়াৰ ৰাজধানী ব্ৰাটিছলাভাত উপস্থিত হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদত ৱক্‌ফ সংশোধনী বিধেয়ক গৃহীত হোৱাটো সামাজিক ন্যায়ৰ দিশত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি উল্লেখ কৰিছে।

৩। ম্যানমাৰত শেহতীয়াকৈ অহা ৭ দশমিক ৭ প্ৰাবল্যৰ বিধবংসী ভূমিকম্পত মৃত্যু হোৱা লোকৰ সংখ্যা ৩ হাজাৰ ৬৪৫লৈ বৃদ্ধি পাইছে।

৪। মিজোৰামত জনজাতি পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ উদ্যোগত কালিৰে পৰা ৰাষ্ট্ৰীয় জনজাতি যুৱ মহোৎসৱ অনুষ্ঠিত হৈছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা চণ্ডীগড়ত অনুষ্ঠিত এখন খেলত পাঞ্জাৱ কিংছে চেন্নাই ছুপাৰ কিংছক ১৮ ৰাণত পৰাস্ত কৰে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তেওঁৰ পৰ্টুগাল ভ্ৰমণ সামৰি আজি নিচেই পুৱাতে শ্ল'ভাকিয়াৰ ৰাজধানী ব্ৰাটিছলাভাত উপস্থিত হৈছে। শ্ৰীমতী মুৰ্মুৱে আজি আৰু কাইলৈ দেশখনৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰিণি আৰু প্ৰধানমন্ত্ৰী ৰবাৰ্ট ফিকোৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কালি তেওঁৰ পৰ্টুগাল ভ্ৰমণৰ দ্বিতীয় তথা অন্তিম দিনা দেশখনৰ সদনৰ অধ্যক্ষ জোজে পেড্ৰ' এগুয়াৰ ব্ৰাংকোৰ সৈতে এখন প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হয়। বিগত ২৭ বছৰত এয়া আছিল ভাৰতীয় ৰাষ্ট্ৰপতিৰ প্ৰথমটো পৰ্টুগাল ভ্ৰমণ। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ পশ্চিমৰ সচিব তন্ময় লালে সাংবাদিকৰ আগত কয়, যে ৰাষ্ট্ৰপতি মুৰ্মুৱে এই ভ্ৰমণকালত পৰ্টুগালৰ প্ৰধানমন্ত্ৰী লুই মণ্টেনেগ্ৰ'ৰ সৈতে ফলপ্ৰসূ আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই ভালেমান দ্বিপাক্ষিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়ত বিশদভাৱে আলোচনা কৰে। তেওঁলোকে বিভিন্ন খণ্ডত পাৰস্পৰিক সহযোগিতা বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰী মণ্টেনেগ্ৰ'ৰ সৈতে এই উচ্চ পৰ্যায়ৰ বৈঠকৰ উপৰি শ্ৰীমতী মুৰ্মুৱে বিভিন্ন ক্ষেত্ৰৰ দ্বিপাক্ষিক আলোচনাতো মিলিত হয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদত ৱক্‌ফ সংশোধনী বিধেয়ক গৃহীত হোৱাটো সামাজিক ন্যায়ৰ দিশত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি উল্লেখ কৰিছে। শ্ৰীমোদীয়ে মুছলমান সম্প্ৰদায়কে ধৰি সকলো সম্প্ৰদায়ৰ হিত সাধনৰ বাবে এখন উল্লেখনীয় আইন প্ৰৱৰ্তনৰ বাবে সংসদক অভিনন্দন জনায়। এটা ব্যক্তিগত সংবাদ মাধ্যমে আয়োজন কৰা এটা অনুষ্ঠানত অংশ লৈ প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে এতিয়াৰে পৰা মুছলমান সম্প্ৰদায়ৰ দুখীয়া লোকসকলৰ উপৰি মুছলমান মহিলা বিশেষকৈ স্বামীহাৰা আৰু বিবাহ বিচ্ছেদিত

মহিলাসকলৰ আৰ্থ-সামাজিক স্থিতিৰ উন্নয়নৰ জৰিয়তে মহিলা আৰু শিশুসকলৰ অধিকাৰ সুৰক্ষিত কৰা হ'ব। শ্ৰীমোদীয়ে কয়, যে ৱক্ফ বিধেয়ক সন্দৰ্ভত সংসদত দুয়োখন সদনত হোৱা আলোচনা আছিল ভাৰতৰ সংসদীয় ইতিহাসৰ দ্বিতীয় দীৰ্ঘতম আলোচনা। তেওঁ উল্লেখ কৰে যে ইয়াৰ বাবে যুটীয়া সংসদীয় সমিতিয়ে ৩৮ খন বৈঠক অনুষ্ঠিত কৰি মুঠ ১২৮ ঘণ্টা এই সন্দৰ্ভত বিচাৰ বিবেচনা কৰিছিল। এইক্ষেত্ৰত সমগ্ৰ দেশৰ পৰা প্ৰায় ১ কোটি অনলাইন পৰামৰ্শও লাভ কৰা গৈছিল বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ কয়, যে ইয়াৰ জৰিয়তে ভাৰতৰ গণতন্ত্ৰ কেৱল সংসদৰ ভিতৰতে যে সীমাবদ্ধ নহয় বৰঞ্চ জনসাধাৰণৰ অংশগ্ৰহণে ইয়াক অধিক শক্তিশালী কৰি তুলিছে সেই কথাই প্ৰতিফলিত হয়।

প্ৰধানমন্ত্ৰী মোদীয়ে আৰু কেইবছৰমানৰ ভিতৰতে ভাৰত  বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হ'ব বুলি উল্লেখ কৰি কয়, যে ভালেমান গোলকীয় প্ৰত্যাহ্বান থকা সত্বেও ভাৰতে উন্নয়নৰ দিশত দ্ৰুত গতিত আগবাঢ়িছে আৰু কেৱল এটা দশকৰ ভিতৰতে ইয়াৰ অৰ্থনীতি দুগুণ বৃদ্ধি কৰিবলৈ সমৰ্থ হৈছে। তেওঁ লগতে কয়, যে চলিত বৰ্ষৰ প্ৰথম ১০০ দিনত চৰকাৰে কেৱল সিদ্ধান্ত গ্ৰহণ কৰাই নহয় বৰং ভৱিষ্যতৰ বাবে এটা শক্তিশালী আন্তঃগাঁথনি নিৰ্মাণ কৰিছে। এই সময়ছোৱাতে ভাৰত ছেটেলাইট ড'কিং আৰু আন ড'কিং ব্যৱস্থা থকা বিশ্বৰ চতুৰ্থখন দেশ হিচাপে পৰিগণিত হৈছে।

মুদ্ৰা যোজনা সন্দৰ্ভত শ্ৰীমোদীয়ে কয়, যে এই আঁচনিয়ে কোনো বন্ধকী দাবী নকৰাকৈ জনসাধাৰণৰ বিশ্বাস জয় কৰিছে। এই আঁচনিয়ে ১১ কোটি লোকক প্ৰথমবাৰৰ বাবে স্ব-নিয়োজনৰ ক্ষেত্ৰত ঋণ প্ৰদান কৰি তেওঁলোকক একোজন উদ্যোগীলৈ পৰিণত কৰিছে বুলি তেওঁ লগতে প্ৰকাশ কৰে।

০০০০০

ম্যানমাৰত শেহতীয়াকৈ অহা ৭ দশমিক ৭ প্ৰাবল্যৰ বিধবংসী ভূমিকম্পত মৃত্যু হোৱা লোকৰ সংখ্যা ৩ হাজাৰ ৬৪৫লৈ বৃদ্ধি পাইছে। দেশখনৰ প্ৰশাসনিক পৰিষদে প্ৰকাশ কৰা অনুসৰি এই  ভূমিকম্পত কমেও ৫ হাজাৰ ১৭ জন লোক আঘাতপ্ৰাপ্ত হৈছে আৰু ১৪৮ জন এতিয়াও সন্ধানহীন হৈ আছে। যোৱা ২৮ মাৰ্চত জোকাৰি যোৱা দুটাকৈ বিধবংসী ভূমিকম্পৰ পৰৱৰ্তী সময়ছোৱাত বৰ্তমানলৈকে ২ দশমিক ৮ৰ পৰা ৭ দশমিক ৫ প্ৰাবল্যৰ মুঠ ৯৮টা জোকাৰণি অনুভূত হৈছে বুলি ম্যানমাৰৰ বতৰ বিজ্ঞান আৰু জল বিজ্ঞান বিভাগে জানিবলৈ দিছে। এই ভূমিকম্পত দেশখনৰ প্ৰায়বোৰ অঞ্চলত বিশেষকৈ তিনিখন মূল চহৰ ছাগায়িং, মাণ্ডেলে আৰু মাগ'ৱেৰ ৮০ শতাংশৰো অধিক অট্টালিকা ক্ষতিগ্ৰস্ত হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ মানৱীয় পৰিক্ৰমা সহযোগিতা কাৰ্যালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি দেশখনৰ ৫ লাখৰো অধিক লোক স্বাস্থ্যসেৱাৰ সুবিধাৰ পৰা বঞ্চিত হৈ আছে। ইপিনে ভাৰত, ইউৰোপীয় সংঘ, আমেৰিকা যুক্তৰাষ্ট্ৰ, ৰাষ্ট্ৰসংঘ আৰু কেইবাটাও আন্তঃৰাষ্ট্ৰীয় সংস্থাই ম্যানমাৰৰ ভূমিকম্পত ক্ষতিগ্ৰস্তসকলৰ বাবে সাহায্য প্ৰেৰণ কৰি আছে। ভাৰতে ইয়াৰ **চুবুৰীয়া প্ৰথম** আৰু **এক্ট-ইষ্ট** নীতিৰ অধীনত প্ৰথম সঁহাৰি জনোৱা দেশ হিচাপে **অপাৰেচন ব্ৰহ্ম** অভিযান ৰূপায়ণ কৰিছে। এই অভিযানৰ দিনত ভাৰতে ম্যানমাৰলৈ কেইবা টনো চিকিৎসা সামগ্ৰীকে ধৰি অন্যান্য সাহায্য সামগ্ৰী প্ৰেৰণ কৰিছে।

০০০০০

ৱকফ সংশোধনী আইনক লৈ অব্যাহত থকা প্ৰতিবাদৰ মাজতে পশ্চিমবংগত মুৰ্ছিদাবাদৰ জিলা দণ্ডাধীশে মঙলবাৰৰ সন্ধিয়াৰ পৰা ৪৮ ঘণ্টাৰ বাবে ৰঘুনাথগঞ্জ আৰু ছুটি আৰক্ষী থানা এলেকাত ১৬৩ ধাৰা জাৰি কৰিছে। ইয়াৰ পূৰ্বে কালি মুৰ্ছিদাবাদৰ জাংগীপুৰৰ ওমৰপুৰত ৱকফ (সংশোধনী) আইন ২০২৫ৰ বিৰুদ্ধে এক বৃহৎ প্ৰতিবাদী

কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে প্ৰতিবাদস্থলীত আৰক্ষীৰ এটা দল উপস্থিত হোৱাৰ পাছতেই একাংশ উত্তেজিত লোকে হিংসাত্মক ৰূপ ধাৰণ কৰি আৰক্ষীৰ বাহন ভাঙি অগ্নিসংযোগ কৰে। ঘটনাস্থলীত জিলাখনৰ আৰক্ষী অধীক্ষগৰাকী উপস্থিত হোৱাৰ পিছতহে পৰিস্থিতি শাম কাটে। মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে এই ঘটনা সন্দৰ্ভত জাংগীপুৰৰ বিধায়ক জাকিৰ হোছেইনৰ সৈতে আলোচনা কৰে। ৰাজ্যপাল ড০ চি.ভি. আনন্দ বসুৱে এই হিংসাক গৰিহণা দি ৰাজ্য চৰকাৰক কঠোৰ পদক্ষেপ ল'বলৈ আহ্বান জনাইছে।

ooooo

মিজোৰামৰ কেলছিহত অৱস্থিত ৰাজ্যিক জনজাতীয় সম্পদ কেন্দ্ৰত কালি সন্ধিয়া ৰাষ্ট্ৰীয় জনজাতি যুৱ মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। মিজোৰামৰ মুখ্য সচিব খিল্লী ৰাম মীনাই মহোৎসৱৰ শুভাৰম্ভণি কৰে। জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ উদ্যোগত সমাজ কল্যাণ, মহিলা আৰু শিশু উন্নয়ন সঞ্চালকালয়ৰ সহযোগত চাৰিদিনীয়া কাৰ্যসূচীৰে এই মহোৎসৱৰ আয়োজন কৰা হৈছে। ভাষণত ৰাজ্যখনৰ মুখ্য সচিব খিল্লী ৰাম মীনাই মিজো সম্প্ৰদায়ৰ সজীৱ সাংস্কৃতিক ঐতিহ্য প্ৰদৰ্শন কৰাৰ বাবে আয়োজকসকলক ধন্যবাদ জনায়। তেওঁ জোৰ দি কয় যে এই মহোৎসৱত জনজাতীয় যুৱক-যুৱতীসকলক শিপাৰ সৈতে সংপৃক্ত কৰা বিষয়বস্তুৰ জৰিয়তে সাংস্কৃতিক সজাগতা বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে আৰু ই সমাজৰ বাবে মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে। এই উৎসৱে মিজোৰামৰ সাংস্কৃতিক পৰিচয়ক উজ্জ্বলোৱাৰ বাবে এখন মঞ্চ প্ৰদান কৰিছে আৰু থলুৱা শিল্পীসকলক পৰম্পৰাগত শিল্পসমূহ প্ৰদৰ্শনৰ সুযোগ প্ৰদান কৰিছে। মহোৎসৱত পৰম্পৰাগত নৃত্য আৰু সংগীত প্ৰদৰ্শন, খাদ্য বিপণী আৰু বিভিন্ন শিল্পকৰ্মৰ প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হৈছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা চণ্ডীগড়ত অনুষ্ঠিত এখন খেলত পাঞ্জাৱ কিংছে চেন্নাই ছুপাৰ কিংছক ১৮ ৰাণত পৰাস্ত কৰে। পাঞ্জাব কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ২১৯ ৰাণ সংগ্ৰহ কৰে। দলটোৰ প্ৰিয়াংছ আৰ্যই ৪২টা বলত ১০৩ ৰাণ কৰাৰ লগতে শশাংক সিং ৫২ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। চেন্নাইৰ হৈ খলিল আহমেদ আৰু ৰবীচন্দ্ৰন অশ্বিনে দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত চেন্নাই ছুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২০১ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ডেৱন কনৱেই সৰ্বাধিক ৬৯ ৰাণ কৰে। পাঞ্জাৱ কিংছৰ ল'কি ফাৰ্গুচনে দুটা উইকেট লাভ কৰে।

ইপিনে ইডেন গাৰ্ডেনছত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত কালি লক্ষ্নৌ ছুপাৰ জায়েণ্টছে কলকাতা নাইট ৰাইডাৰ্ছক ৪ ৰাণত পৰাস্ত কৰে। কলকাতাই ২৩৯ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২৩৪ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে লক্ষ্নৌৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অভাৰত ৩ উইকেটৰ বিনিময়ত ২৩৮ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ মিশ্বেল মাৰ্ছ আৰু নিকোলাছ পুৰাণে অৰ্ধশতৰাণ কৰে।

প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছে ৰাজস্থান ৰয়েলছ বিৰুদ্ধে খেলিব। খেলখন আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

এছিয়া বেডমিন্টন চেম্পিয়নশ্বিপত ভাৰতৰ ধ্রুৱ্ কাপিলা আৰু তানিচা ক্রাষ্ট'ৱে চাইনাৰ নিংব'ত অনুষ্ঠিত প্রথমখন খেলত জয়লাভ কৰি প্রথম দিনাই মিক্সড ডাবলছ শাখাত প্রি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্রথম ৰাউণ্ডৰ খেলখনত ভাৰতীয় যুটিটোৱে বিশ্বৰ ১৪ নম্বৰ স্থানত থকা যুটিটোক ১৫-২১, ২১-১২, ২১-১১ পইন্টত পৰাস্ত কৰে। আশীত সূৰ্য আৰু অমৰুতা প্রমুথেশৰ যুটিটোৱেও শ্রীলংকাৰ থুলিথ পল্লিয়াগুৰু আৰু পাঞ্চালী অধিকাৰীক ২১-৯, ২১-১১পইন্টত পৰাস্ত কৰি প্রি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। দুবাৰৰ অলিম্পিক পদক বিজয়ী পিভি সিন্ধু আৰু কমনৱেলথ গেমছৰ পদক বিজয়ী লক্ষ্য সেনে বুধবাৰে প্রতিযোগীতাত অভিযান আৰম্ভ কৰিব।

ooooo

আৰ্জেণ্টিনাৰ বুয়েনছ আয়াৰ্ছত অনুষ্ঠিত আই এছ এছ এফ বিশ্বকাপৰ পুৰুষৰ ২৫ মিটাৰ ৰেপিড ফায়াৰ পিষ্টল শাখাত বিজয়বীৰ সিদ্ধুৱে সোণৰ পদক লাভ কৰা প্রথমজন ভাৰতীয় হিচাপে পৰিগণিত হৈছে। মহিলা শাখাত সুৰুচি সিঙে ১০ মিটাৰ এয়াৰ পিষ্টল শাখাত প্রথমবাৰৰ বাবে সোণৰ পদক লাভ কৰে। দুয়োটা স্বৰ্ণপদকৰ সৈতে প্রতিযোগীতাত ভাৰতে এতিয়ালৈকে চাৰিটা সোণ, এটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰি পদক তালিকাৰ প্রথম স্থানত আছে।

ooooo

সমাপ্ত